# খোতবা জুমা

**ছৈয়দিনা হজৰত আমিৰুল মোমিনিন খলিফাতুল মছীহ আল-খামিছ (আইঃ)ৰ ৯ অক্টোবৰ ২০২০ চনত মছজিদ মুবাৰক ,ইছলামাবাদ বৃটেইন)ত প্ৰদান কৰা খোতবা জুমাৰ সাৰাংশ**

**আঁ-হজৰত (ছাঃ)ৰ শীৰ্ষতম মৰ্যাদাপ্ৰাপ্ত বদৰী চাহাবী হজৰত আবু উবেইদা বিন জাৰাহ(ৰাঃ)ৰ পৱিত্ৰ গুণাৱলী আৰু ঈমান বৰ্দ্ধক ঘটনাৰ ঐতিহাসিক বিৱৰণী**

أَشْهَدُ أَنْ لَا إِلَهَ إِلَّا اللهُ وَحْدَهُ لَا شَرِيْكَ لَهُ وَأَشْهَدُ أَنَّ مُحَمَّدًا عَبْدُهُ وَرَسُولُهُ أَمَّا بَعْدُ فَأَعُوْذُ بِاللهِ مِنَ الشَّيْطٰنِ الرَّجِيْمِ۔ بِسْمِ اللهِ الرَّحْمٰنِ الرَّحِيْمِ۔ اَلْحَمْدُ لِلّٰهِ رَبِّ الْعٰلَمِيْنَ۔ الرَّحْمٰنِ الرَّحِيْمِ۔ مٰلِكِ يَوْمِ الدِّيْنِ۔ اِيَّاكَ نَعْبُدُ وَاِيَّاكَ نَسْتَعِيْنُ۔ اِهْدِنَا الصِّرَاطَ الْمُسْتَقِيْمَ۔ صِرَاطَ الَّذِيْنَ اَنْعَمْتَ عَلَيْهِمْ ۙ غَيْرِ الْمَغْضُوْبِ عَلَيْهِمْ وَلَا الضَّآلِّيْنَ۔

তাশ্বাহুদ তাউজ আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে,যোৱা জুমাৰ খোতবাত হজৰত আবু উবেয়দা (ৰাঃ)ৰ বিষয়ে বৰ্ণনা কৰা হৈছে। আজিৰ জুমাৰ খোতাবতও তেখেত (ৰাঃ)ৰ বিষয়ে চলি থকা বৰ্ণনাৰ বাকী অংশখিনি বৰ্ণনা কৰা হ'ব। চন ১৫ হিজৰীত শ্বাম (ছিৰিয়া) ইয়াৰমুক নদীৰ পাৰত আটাইতকৈ ডাঙৰ যুদ্ধ সংগঠিত হৈছিল। উক্ত ৰণ ভূমিত প্ৰায় আঢ়ে লাখ ৰোমী সৈন্য যুদ্ধত নামিছিল। আনহাতে সেই যুদ্ধত মুছলমানসকলৰ সংখ্যা আছিল প্ৰায় ত্ৰিশ হাজাৰ। ইয়াৰ মাজত এক হাজাৰ আছিল ৰছুলুল্লাহ (ছাঃ)ৰ চাহাবী। আকৌ ইয়াৰে মাজত আছিল এশ বদৰী চাহাবা। ৰোমীয় সৈন্যৰ সেনাপতিয়ে জাৰাজ নামৰ ৰোমী দূত এজনক ইছলামী সৈন্যৰ ওচৰলৈ পঠাই দিছিল। যেতিয়া সেই দূতজনে ইছলামী সৈন্যৰ ঘাটীত আহি উপস্থিত হৈছিল তেতিয়া মুছলমান সকলে মগৰিবৰ নমাজ পঢ়ি আছিল। তেওঁ মুছলমান সকলক অতি বিনম্ৰ ভাৱে কাতৰ মিনতিৰে খোদাৰ সন্মুখত ছিজদাহ কৰা দেখা পাই বৰকৈ প্ৰভাৱিত হৈছিল। তেওঁ হজৰত আবু উবেয়দা (ৰাঃ)ক কেইটামান প্ৰশ্ন সুধিছিল। যাৰ মাজত এটা প্ৰশ্ন আছিল যে, হজৰত ঈছা (আঃ)সম্পৰ্কে আপোনাৰ ধাৰণা কি ? হজৰত আবু উবেয়দা (ৰাঃ)য়ে কোৰাণ কৰীমৰ এটা আয়াত পাঠ কৰি শুনাইছিল। যাৰ অনুবাদ এনেধৰণৰ যে, হে আহলে কিতাপ (কিতাপৰ মান্যকাৰী)! নিজৰ দ্বীন সম্পৰ্কে সীমা অতিক্ৰম নকৰিবা। আল্লাহ সম্পৰ্কে সত্য অবিহনে একোকে নক'বা নিশ্চয় মছীহ ঈছা ইবনে মৰিয়ম কেৱল মাত্ৰ আল্লাহৰ ৰছুল হয় আৰু তাৰ বাণী যি তেওঁ মৰিয়মৰ ওপৰত অৱতীৰ্ণ কৰিছে আৰু তাৰ ফালৰ পৰা এটা ৰূহ মাত্ৰ। গতিকে আল্লাহ আৰু তাৰ ৰছুলৰ ওপৰত বিশ্বাস স্থাপন কৰা, তিনি  বুলি নক'বা; এয়া পৰিত্যাগ কৰা,তাতেই তোমালোকৰ কল্যাণ নিহিত আছে, নিশ্চয় আল্লাহই একমাত্ৰ উপাস্য; সেইজনা পৱিত্ৰ তাৰ পৰা যে সেইজনাৰ কোনো পুত্ৰ আছে। সকলো সেইজনাৰেই (তেওঁৰেই মালিক) যি আকাশ আৰু ভুমণ্ডলত অৱস্থিত আছে আৰু তৈয়াৰ কৰোঁতা (কাৰিকৰ)হিচাপে আল্লাহ যথেষ্ট নিপুন। ইয়াৰ পিছত এই আয়াত পাঠ কৰি শুনাইছিল,- لَنۡ یَّسۡتَنۡکِفَ الۡمَسِیۡحُ اَنۡ یَّکُوۡنَ عَبۡدًا لِّلّٰہِ وَلَا الۡمَلٰٓئِکَۃُ الۡمُقَرَّبُوۡنَ۔ মছীহ কেতিয়াও এই বিষয়টো অপছন্দ নকৰে যে, তেওঁ আল্লাহৰ এজন ভৃত্য হিচাপে নিৰ্ধাৰিত হৈছে আৰু না নিৰ্বাচিত ফিৰিস্তাসকলে তাক অপছন্দ কৰিব। জাৰাজে যেতিয়া কোৰাণ শ্বৰীফৰ এই শিক্ষা শুনিছিল তেতিয়া চিঞৰি উঠিছিল যে, নিঃসন্দেহে এয়াই আছিল মছীহৰ গুণাৱলী আৰু কৈছিল যে, তোমালোকৰ পয়গম্বৰ সত্য, আৰু মুছলমান হৈ গৈছিল।

ঈছাই সৈন্য সকলকও হজৰত আবু উবেয়দা (ৰাঃ)য়ে ইছলামলৈ আমন্ত্ৰণ জনাইছিল কিন্তু কোনো সফল হোৱা নাছিল আৰু যুদ্ধৰ বাবে সাজু হোৱা আৰম্ভ হৈ গৈছিল। হজৰত আবু উবেয়দা (ৰাঃ)য়ে নিজৰ ফালৰ সৈন্য সকললৈ ভাষণ প্ৰদান কৰিছিল। উক্ত ভাষণত এখেত (ৰাঃ)য়ে কৈছিল হে আল্লাহৰ ভৃত্যসকল ! খোদাৰ সহায়ৰ নিমিত্তে আগবাঢ়ি যোৱা সি তোমালোকক সহায় কৰিব আৰু তোমালোকৰ পদক্ষেপ দৃঢ় প্ৰতিষ্ঠিত ৰাখিব। হে আল্লাহৰ ভৃত্যসকল ! ধৈৰ্য্য ধাৰণ কৰা, ধৈৰ্য্য ধাৰণ কৰাই কুফৰৰ পৰা মুক্তি পোৱাৰ উপায়, আল্লাহ তা'লাক সন্তুষ্ট কৰাৰ উপায়, আৰু সকলো পাপ ধুই নিকা কৰোঁতা। নিজৰ শাৰী নাভাঙিবা, যুদ্ধৰ প্ৰথম প্ৰহাৰ (কাজিয়া) তোমালোকে নকৰিবা। বল্লম সাজু কৰি লোৱা,ঢাল (যুদ্ধৰ সময়ত সুৰক্ষিত থকাৰ বাবে বুকুত যিখন বান্ধে)প্ৰস্তুত কৰি চম্ভালি লোৱা আৰু জিবাখন খোদা তা'লাৰ স্মৰণত ডুবাই ৰাখিবা যাতে খোদা তা'লা আমাৰ ইচ্ছা পূৰ্ণ কৰে। কাফিৰ সৈন্য সমুদ্ৰ ঢেউৰ দৰে আগবাঢ়ি আহিল। প্ৰথমে প্ৰথমে ৰোমীয় সকলৰ আক্ৰমণ ভয়ানক আছিল আৰু তেওঁলোকে মুছলমান সকলক পিছলৈ ঠেলি পঠিয়াইছিল। ঈছাই সকলে নিজৰ কিছুমান তীৰ আন্দাজী (ধনুধৰ) সকলক এটা টিলাৰ ওপৰত সাজু কৰি ৰাখিছিল আৰু তেওঁলোকক নিৰ্দেশ দিয়া হৈছিল যে, তেওঁলোকে যেন বিশেষকৈ চাহাবা সকলৰ ওপৰত তীৰ আক্ৰমণ চলায়। কাফিৰ সকলে জানিছিল যে, যেতিয়া ডাঙৰ ডাঙৰ যুদ্ধা মৃত্যুৰ মুখত পৰিব তেতিয়া বাকী ফৌজৰ মন এনেয়ে দুৰ্বল হৈ পৰিব আৰু তেওঁলোকে যুদ্ধ ক্ষেত্ৰ এৰি পলায়ন কৰিব। এই পৰিকল্পনাৰ ফল এয়া ওলাল যে, কেইজন মান চাহাবাৰ মৃত্যু হৈ গ'ল আৰু কেইজনমানৰ চকু নষ্ট হৈ গ'ল। ইকৰামা এই অৱস্থা দেখি হজৰত আবু উবেয়দা (ৰাঃ)ৰ ওচৰত আবেদন জনায় যে, চাহাবা সকলে বৰ সেৱা আগবঢ়াইছে, এতিয়া আমি যিসকলে পিছত আহিছো, আমাকও নেকি অৰ্জন কৰাৰ সুযোগ দিয়া যাওঁক। আমি শত্ৰু সৈন্যৰ মাজ অংশত আক্ৰমণ চলাম আৰু ঈছাই জেনেৰেলক হত্যা কৰি পেলাম। হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছিল এয়া বৰ বিপদজ্জনক কথা, এনেদৰে গলে দেখোন, যিমানজন ডেকাই যাব তেওঁলোকে সকলোৱে মৃত্যু মুখত পৰিব। তেতিয়া ইকৰামা কৈছিল,এয়া অৱশ্যে ঠিক, কিন্তু এই ব্যৱস্থা অবিহনে বেলেগ উপায় নাই। অৱশেষত হজৰত আবু উবেয়দা (ৰাঃ)য়ে ইকৰামাৰ আঁকোৰ-গোজালিৰ কাৰণে তেওঁলোকক যাবলৈ অনুমতি দিছিল। ইয়াৰ পিছত এওঁলোকক পৰাস্ত কৰিছিল কিন্তু সেই আক্ৰমণত এওঁলোকৰ বেছি ভাগ সৈন্য শ্বহীদ হৈ গৈছিল। কাফিৰ সকলৰ ৮০ হাজাৰ সৈন্য পিছুৱাই গৈ গৈ ইয়াৰমুক নদীত ডুবি মৰিছিল। এক লাখ ৰোমীয় সৈন্যক মুছলমান সকলে যুদ্ধ ক্ষেত্ৰত বধ কৰিছিল। মুছলমান প্ৰায় তিনি হাজাৰ জন শ্বহীদ হৈ গৈছিল। এয়াই আছিল ইয়াৰমুকৰ যুদ্ধ।

ইয়াৰমুক জয় কৰাৰ কেইদিনমান আগত হজৰত উমৰ (ৰাঃ)য়ে শ্বামলৈ যোৱা ফৌজৰ নেতৃত্ব হজৰত আবু উবেয়দা (ৰাঃ)ক প্ৰদান কৰিছিল। হজৰত খালিদ (ৰাঃ)তেতিয়া কমাণ্ডৰ আছিল। যেতিয়া মুছলমানসকলে বিজয় লাভ কৰিছিল তেতিয়া হজৰত খালিদ (ৰাঃ)ৰ অধীনৰ সৈন্যসকলে ইৰাকৰ ফালে ওভতি যাবলৈ লৈছিল। যেতিয়া হজৰত খালিদ (ৰাঃ)য়ে যাত্ৰা আৰম্ভ কৰিবলৈ লৈছিল তেতিয়া তেখেতে লোকক কৈছিল যে, তোমালোকে আনন্দিত হোৱা উচিত যে এই উম্মতৰ আমিন (আমানতদাৰ) তোমালোকৰ নেতা। এয়া শুনি হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছিল যে, মই ৰছুলুল্লাহ (ছাঃ)ৰ পৰা শুনিছো যে খালিদ বিন অলিদ খোদাৰ তৰোৱালৰ মাজত এক তৰোৱাল। মুঠতে এনে ভালপোৱা আৰু সন্মান পূৰ্ণ পৰিৱেশত দুয়ো প্ৰতিনিধি (কায়েদ) পৰস্পৰে পৃথক হৈছিল।

হুজুৰ আনোৱাৰ (আইঃ) য়ে কয় যে, এয়াই হ'ল মোমিনৰ তাকৱা; নাই ইয়াত নাম উজ্বল কৰাৰ ইচ্ছা,না আছিল খ্যাতি অৰ্জনৰ ইচ্ছা; নাছিল কোনো বিষয়া হোৱা বা পদবী লাভৰ ইচ্ছা। উদ্দেশ্য আছিল যদি সেয়া আছিল একমাত্ৰ খোদা তা'লাৰ সন্তুষ্টি লাভৰ ইচ্ছা আৰু খোদা তা'লাৰ ৰাজত্ব পৃথিৱীত স্থাপন কৰিবৰ ইচ্ছা। কয় যে

গতিকে তেওঁলোক হ'ল আমাৰ বাবে আদৰ্শ স্বৰূপ। গতিকে প্ৰত্যেক পদবীদাৰ আৰু প্ৰত্যেক আহমদীয়ে এই কথাবোৰ নিজৰ সন্মুখত ৰখা উচিত।

শ্বাম (ছিৰিয়া)ৰ লোক সকল বিভিন্ন ধৰ্মৰ অনুসাৰী আছিল। ভাষা বৃত্তিত পাৰ্থক্যও আছিল, সিহঁতৰ বংশও বেলেগ বেলেগ আছিল।হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ)য়ে এওঁলোকৰ মাজত ন্যায় আৰু সমতা স্থাপন কৰিছিল; শান্তি, নিৰাপত্তা প্ৰতিষ্ঠা কৰিছিল, সকলোকে ধৰ্মীয় স্বাধীনতা প্ৰদান কৰিছিল। হজৰত আবু উবেয়দা (ৰাঃ)ৰ প্ৰচেষ্টাতেই, যি সকল আৰবীয়ান ছিৰিয়াত বাস কৰিছিল আৰু খৃষ্টান হৈ গৈছিল, তেওঁলোকে ইছলাম গ্ৰহণ কৰিছিল।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় যে, এতিয়া বায়তুল মুকাদ্দছ বিজয়ৰ ঘটনা বৰ্ণনাবলৈ লৈছো। এই ঘটনাৰ সৈতে হজৰত আবু উবেয়দা (ৰাঃ)ৰ বিশেষ সম্পৰ্ক আছে। হজৰত উমৰু বিন আচ (ৰাঃ)ৰ নেতৃত্বত ইছলামী সৈন্য ফিলিস্তানলৈ আগবাঢ়ি গৈছিল। তেওঁলোকে যেতিয়া ফিলিস্তানৰ চহৰবোৰ জয় কৰি বায়তুল মুকাদ্দছ ঘেৰাও কৰিছিল তেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)ৰ সৈন্য সকলে আহি এওঁলোকৰ লগত যোগ দিছিল। তেতিয়া ঈছাই সকলে দুৰ্গত বন্দী হৈ বিপদত পৰি সন্ধিৰ প্ৰস্তাৱ আগ বঢ়াইছিল। কিন্তু চৰ্ত ৰাখিছিল যে হজৰত উমৰ (ৰাঃ)য়ে নিজে আহি সন্ধিৰ চুক্তি সম্পন্ন কৰিব লাগে। হজৰত আবু উবেয়দা (ৰাঃ)য়ে ঈছাই সকলৰ এই প্ৰস্তাৱ হজৰত উমৰ (ৰাঃ)ক জনাইছিল। হজৰত উমৰ (ৰাঃ)য়ে ১৬ হিজৰীৰ ৰবিউল আউৱাল মাহত মদিনাৰ পৰা যাত্ৰা কৰি দামাস্কৰ গাতে লাগি থকা এখন বস্তি জাবিয়া নামৰ ঠাইত গৈ উপস্থিত হৈছিল, য'ত সেনা নায়ক সকলে এখেত (ৰাঃ)ক স্বাগত জনাইছিল। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল যে, মোৰ ভাইজান ক'ত আছে। লোক সকলে সুধিছিল ইয়া আমি ৰুল মোমিনিন, আপোনাৰ কথাত কাক বুজায় ? এখেত (ৰাঃ)য়ে উত্তৰত কৈছিল আবু উবেয়দা (ৰাঃ)ক বিচৰা হৈছে। তেতিয়া নিবেদন কৰিছিল যে তেখেত আহি পালেহি। এনেতে হজৰত আবু উবেয়দা (ৰাঃ)য়ে উটনীৰ ওপৰত আৰোহণ কৰি আহি উপস্থিত হৈছিল আৰু ছালাম দি মঙ্গল কামনা কৰিছিল। তেতিয়া হজৰত উমৰ (ৰাঃ)য়ে বেলেগ সকলো লোককে যাবলৈ দি নিজে হজৰত আবু উবেয়দা (ৰাঃ)ক লগত লৈ নিজৰ থকা ঠাইলৈ গৈছিল। ঘৰত গৈ দেখিছিল যে তাত মাত্ৰ এটা তৰোৱাল, ঢাল, ধাৰা আৰু এখন পিয়লাৰ বাহিৰে আন একো নাই। হজৰত উমৰ (ৰাঃ)য়ে কৈছিল-হে উবেয়দা কিছুমান বস্তু যোগাৰ কৰি লওঁ। হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছিল ইয়া আমিৰুল মমোনিন, এইবোৰে আমাক আৰাম কৰাৰ ফালে আকৰ্ষণ কৰিব।

আৰবাজ বিন ছাৰিয়া বৰ্ণনা কৰিছে যে, যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ) তাউন (প্লেগ)ত আক্ৰান্ত হৈছিল তেতিয়া মই তেখেতৰ ওচৰত গৈছিলো আৰু হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছিল যে, তেখেতে ৰছুলুল্লাহ (ছাঃ)ৰ পৰা শুনিছে যে যিজনে প্লেগত আক্ৰান্ত হৈ মৃত্যু বৰণ কৰিব তেওঁ হ'ব শ্বহীদ। যিজন পেটৰ বেমাৰত আক্ৰান্ত হৈ মৰিব তেওঁ শ্বহীদ হ'ব। যিজনে পানীত ডুবি মৰিব তেওঁ শ্বহীদ আৰু যিজন চালৰ পৰা বাগৰি পৰি মৰিব তেওঁয়ো শ্বহীদ হ'ব। যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)ৰ শেষ সময় উপস্থিত হৈছিল তেতিয়া লোকক উপদেশ দিছিল যে, আল্লাহ তা'লা আদম সন্তানৰ বাবে মৃত্যু অনিৰ্বায্য কৰিছে। প্ৰত্যেকেই মৃত্যু বৰণ কৰিব। তেওঁৰেই হ'ল প্ৰজ্ঞাবান, যিজনে মৃত্যুৰ বাবে সাজু থাকে আৰু সেই দিনটোৰ বাবে প্ৰস্তুতি লৈ থাকে। আমিৰুল মোমিনিনক মোৰ ছালাম পৌছাই দিবা আৰু নিবেদন কৰিবা যে মই সকলো আমানত আদায় দি দিছোঁ।আকৌ হজৰত আবু উবেয়দা (ৰাঃ)য়ে কৈছিল যে, মোক মোৰ সিদ্ধান্ত অনুযায়ী ইয়াতেই সমাধিস্থ কৰিবা। অৰ্থাৎ আৰদিনৰ জমিনত বিছান অঞ্চলত এখেতৰ সমাধিস্থ আছে। এখেত (ৰাঃ)য়ে ৫৮বছৰ বয়সত ১৮ হিজৰীত মৃত্যু বৰণ কৰিছে। যেতিয়া হজৰত আবু উবেয়দা (ৰাঃ)ৰ মৃত্যু হৈছিল তেতিয়া হজৰত মোৱাজ (ৰাঃ)য়ে লোকক

কৈছিল- হে লোক সকল ! আজি সেইজন লোক আমাৰ পৰা চিৰ বিদায় ললে, যিজনতকৈ বেছি পৱিত্ৰ হৃদয়বান, অহিংসাৰ পূজাৰী, লোকলৈ মৰমীয়াল আৰু লোকৰ কল্যাণ কামী ব্যক্তি মই দেখা নাই। দোৱা কৰা আল্লাহ তা'লা যেন তেখেতৰ ওপৰত ৰহমত (দয়া) বৰ্ষণ কৰে।

হজৰত উমৰ (ৰাঃ)য়ে এবাৰ নিজৰ লগৰীয়া সকলক কৈছিল যে, এই ঘৰখন হজৰত আবু উবেয়দা বিন জাৰাহ (ৰাঃ) আৰু হজৰত মোৱাজ বিন জবল (ৰাঃ)আৰু ছালম মাউলা আবু হুজাইফা (ৰাঃ)আৰু হজৰত হুজাইফা বিন ইয়ামান (ৰাঃ)ৰ দৰে লোকেৰে ভৰ্তি হওঁক। গতিকে কিমান যে সৌভাগ্যবান এই লোকসকল যিসকলে এইখন ধৰাধামত আল্লাহ তা'লাৰ সন্তুষ্টি অৰ্জন কৰোঁতা হয়।

হুজুৰ আনোৱাৰ (আইঃ)য়ে কয় য়ে হজৰত আবু উবেয়দা (ৰাঃ)ৰ বিষয়ে কৰা বৰ্ণনা আজি শেষ হ'ল। কিছুমান জানাজা গায়েব পঢ়াবলৈ আছে। ইয়াৰে আমাৰ এজন শ্বহীদ আছে, সেইজন হ'ল প্ৰফেছৰ ডক্টৰ নঈম উদ্দিন খটক চাহাব ইবনে ফজল উদ্দিন খটক চাহাব, জিলা পেশাৱৰ। ২০২০ চনৰ ৫ অক্টোবৰৰ দিনা বিৰুদ্ধবাদী সকলে এখেতক গুলীয়াই শ্বহীদ কৰিছে। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। উক্ত শ্বহীদ জনৰ বয়স হৈছিল ৫৬ বছৰ। আল্লাহ তা'লা উক্ত মৰহুমৰ সৈতে ক্ষমা আৰু দয়াৰ আচৰণ প্ৰদৰ্শন কৰক আৰু এখেতৰ উত্তৰাধিকাৰী সকলক ধৈৰ্য্য দান কৰক। ইয়াৰ পিছত হুজুৰ আনোৱাৰ (আইঃ)য়ে আজিজম উছামা ছাদিক (ছাত্ৰ জামিয়া আহমদীয়া জাৰ্মানি) আৰু মকৰম ছেলিম আহমদ মালিক চাহাব (শিক্ষক জামিয়া আহমদীয়া বৃটেইন)ৰ পৱিত্ৰ গুণাৱলী বৰ্ণনা কৰে আৰু মৰহুমিন সকলৰ মাগফিৰাতৰ বাবে দোৱা কৰে আৰু কয় যে, নমাজে জুমাৰ পিছত ইনশা আল্লাহ এওঁলোকৰ নমাজে জানাজা গায়েব পঢ়া হ'ব। ইন্না লিল্লাহি ওৱা ইন্না ইলায়হি ৰাজিউন। (আমিন)

اَلْحَمْدُ لِلّٰهِ نَحْمَدُهٗ وَنَسْتَعِيْنُهٗ وَنَسْتَغْفِرُهٗ وَنُؤْمِنُ بِهٖ وَنَتَوَكَّلُ عَلَيْهِ وَنَعُوْذُ بِاللّٰهِ مِنْ شُرُوْرِ اَنْفُسِنَا
وَمِنْ سَيِّئَاتِ اَعْمَالِنَا مَنْ يَّهْدِهِ اللّٰهُ فَلَا مُضِلَّ لَهٗ وَمَنْ يُّضْلِلْهُ فَلَا هَادِيَ لَهٗ وَنَشْهَدُ اَنْ لَّا اِلٰهَ اِلَّا اللّٰهُ
وَنَشْهَدُ اَنَّ مُحَمَّدًا عَبْدُهٗ وَرَسُوْلُهٗ. عِبَادَ اللّٰهِ رحمكم الله اِنَّ اللّٰهَ يَاْمُرُ بِالْعَدْلِ وَالْاِحْسَانِ وَاِيْتَآءِ ذِى الْقُرْبٰى
وَيَنْهٰى عَنِ الْفَحْشَآءِ وَالْمُنْكَرِ وَالْبَغْيِ يَعِظُكُمْ لَعَلَّكُمْ تَذَكَّرُوْنَ اُذْكُرُوا اللّٰهَ يَذْكُرْكُمْ وَادْعُوْهُ يَسْتَجِبْ
لَكُمْ وَلَذِكْرُ اللّٰهِ اَكْبَرُ۔

**KHULASA KHUTBA JUMA HUZOOR ANWAR (aba) 9 OCTOBER 2020**

## BOOK POST (PRINTED MATTER)

TO,

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

..............................................................................................................................

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**